# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 12-05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। জ্যেষ্ঠ বিজেপি নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অসমৰ মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়টো কাৰ্যকালৰ বাবে শপত গ্ৰহণ কৰিব।

২। তামিলনাডুত বিধায়িনী দলৰ নেতা নিৰ্বাচনক লৈ এ আই এ ডি এম কেৰ বিধায়কসকল দ্বিবিভক্ত হোৱাক লৈ ৰাজ্যখনৰ ৰাজনৈতিক পৰিৱেশ উত্তাল হৈ পৰিছে।

৩। দেশত খাদ্য শস্যৰ কোনো নাটনি নাই আৰু বৰ্তমান খাদ্যৰ পৰ্যাপ্ত ভাণ্ডাৰ মজুত আছে বুলি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। *আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত খেলত দেলহি কেপিটেলছে পঞ্জাৱ কিংছক ৩ উইকেটত পৰাস্ত কৰে।

০০০০০

জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসমৰ মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়টো কাৰ্যকালৰ বাবে শপত গ্ৰহণ কৰিব। তেওঁৰ লগতে বিজেপিৰ দুগৰাকী আৰু অসম গণ পৰিষদ তথা বিপিএফৰ এগৰাকীকৈ বিধায়কক্ৰমে অজন্তা নেওগ, ৰামেশ্বৰ তেলী, অতুল বৰা আৰু চৰণ বড়োৱে আজি মন্ত্ৰী হিচাপে শপত ল'ব বুলি সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ শৰ্মাই কালি প্ৰকাশ কৰে। জ্যেষ্ঠ বিজেপি নেতা ৰণজিত কুমাৰ দাসক বিধানসভাৰ অধ্যক্ষ পদৰ প্ৰাৰ্থী হিচাপে এন ডি এই প্ৰক্ষেপ কৰিব বুলিও একেটা বাৰ্তাত তেওঁ উল্লেখ কৰে।

ইপিনে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত শপতগ্ৰহণ অনুষ্ঠান উপলক্ষে চলা প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। কাৰ্যবাহী তথা প্ৰক্ষেপিত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি শপতগ্ৰহণস্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। পাছত তেওঁ সংবাদ মাধ্যমৰ সৈতে হোৱা বতৰাত শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকিব বুলি জনায়। ড০ শৰ্মাই লগতে ২২ খন ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাও এই অনুষ্ঠানত উপস্থিত থাকিব বুলি প্ৰকাশ কৰে।

এই শপতগ্ৰহণৰ লগে লগে অসমত এন ডি এই একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে আৰু ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰৰ বাবে প্ৰথমগৰাকী অকংগ্ৰেছী নেতা হিচাপে ৰাজ্যৰ ইতিহাসত নাম লিপিবদ্ধ কৰিব। ১২৬ জনীয়া অসম বিধানসভাত বিজেপিয়ে ৮২ খন আসন লাভ কৰাৰ লগতে ইয়াৰ মিত্ৰদল অসম গণ পৰিষদ আৰু বিপিএফে দহখনকৈ আসনেৰে মুঠ ১০২ খন আসন লাভেৰে বিপুল বিজয় সাব্যস্ত কৰিছে।

আজিৰ শপতগ্ৰহণ অনুষ্ঠানৰ বাবে কামৰূপ মহানগৰ জিলাত যান-বাহন নিয়ন্ত্ৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ooooo

তামিলনাডুত এ আই এ ডি এম কে-ৰ ৩০ গৰাকী বিধায়কে পি ভেলুমনিক বিধায়িনী দলৰ নেতা হিচাপে আৰু চি বিজয় ভাস্কৰক হুইপ হিচাপে ঘোষণা কৰাৰ পাছত ৰাজ্যখনৰ ৰাজনৈতিক পৰিৱেশ উত্তাল হৈ পৰিছে। বিধায়ককেইগৰাকীয়ে অস্থায়ী অধ্যক্ষ করুপেইয়াক সাক্ষাৎ কৰি তেওঁলোকৰ হস্তাক্ষৰ সম্বলিত পত্ৰ দাখিল কৰে। ইপিনে ১৭ জন বিধায়কৰ আন এটা দলে ই পালানীচামিক বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচন কৰে। এনে পৰিস্থিতিত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী চি জোচেফ বিজয় নেতৃত্বাধীন চৰকাৰে কাইলৈৰ ভিতৰত বিধানসভাত সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব লাগিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা শুকুৰবাৰৰ পৰা ছদিনীয়া কাৰ্যসূচীৰে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ, নেডাৰলেণ্ডছ, ছুইডেন, ন'ৰৱে আৰু ইটালী ভ্ৰমণ কৰিব। পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে শুকুৰবাৰে ইউ এ ই-ত উপস্থিত হৈ দেশখনৰ ৰাষ্ট্ৰপতি শ্বেখ মহম্মদ বিন জায়েদ অল নাহিয়ানক সাক্ষাৎ কৰিব। দুয়োগৰাকী নেতাই বিভিন্ন দ্বিপাক্ষিক বিষয়, বিশেষকৈ শক্তি সহযোগিতা আৰু পাৰস্পৰিক গুৰুত্বসম্পন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় সম্পৰ্কে মত বিনিময় কৰিব। সৰ্বাত্মক কৌশলগত সহযোগিতা, শক্তিশালী ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু জনসাধাৰণৰ সৈতে সংযোগৰ দৰে বিষয়বস্তুৰে অধিক আগুৱাই নিয়াৰ উপায় সম্পৰ্কেও তেওঁলোকে আলোচনা কৰিব।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী নেডাৰলেণ্ডছলৈ যাব। ইয়াৰ পাছত তেওঁ ছুইডেনৰ গুটেনবাৰ্গ ভ্ৰমণ কৰিব। ন'ৰৱে ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে তৃতীয় ভাৰত-নৰ্ডিক সন্মিলনত অংশগ্ৰহণ কৰিব। ভ্ৰমণৰ অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰীয়ে ইটালী ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে বিশেষকৈ বাণিজ্য আৰু বিনিয়োগ চুক্তিৰ লগতে আন সকলো খণ্ডতে ইউৰোপৰ সৈতে ভাৰতৰ অংশীদাৰিত্ব অধিক গভীৰ কৰি তুলিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

ooooo

দেশত খাদ্য শস্যৰ কোনো নাটনি নাই আৰু বৰ্তমান ভাৰতত খাদ্যৰ পৰ্যাপ্ত ভাণ্ডাৰ মজুত আছে বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে দৃঢ়তাৰে প্ৰকাশ কৰিছে। কালি নতুন দিল্লীত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাৰ সৈতে যুটীয়াভাৱে 'ছেহত্' অৰ্থাৎ Science Excellence for Health through Agriculture Transformation - অভিযানৰ শুভাৰম্ভ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে।

ভাৰতীয় কৃষি গৱেষণা পৰিষদ - ICAR আৰু ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ-ICMR-ৰ এই যুটীয়া পদক্ষেপৰ শলাগ লৈ মন্ত্ৰী চৌহানে কয় যে, এই অভিযানে জনসাধাৰণৰ স্বাস্থ্যসন্মত জীৱনশৈলী গঢ়ি তোলাত বিশেষ সহায় কৰিব। দেশত উৎপাদিত খাদ্য সামগ্ৰীসমূহ জনতাৰ স্বাস্থ্যৰ প্ৰয়োজনীয়তাৰ সৈতে সংগতিপূৰ্ণ হোৱাটো নিশ্চিত কৰাই 'ছেহত্' অভিযানৰ মূল লক্ষ্য।

চৰকাৰে স্বাস্থ্যখণ্ডত সৰ্বাংগীন আৰু প্ৰতিৰোধমূলক দৃষ্টিভংগী গ্ৰহণ কৰাৰ কথা উল্লেখ কৰাৰ লগতে স্বাস্থ্যমন্ত্ৰী জগত প্ৰকাশ নাড্ডাই সুলভ আৰু মানসম্পন্ন স্বাস্থ্যসেৱাৰ ওপৰত

গুৰুত্ব আৰোপ কৰি ৰোগ প্ৰতিৰোধ তথা ৰোগৰ আগতীয়া চিনাক্তকৰণৰ বাবে বিজ্ঞান, নীতি আৰু ৰূপায়ণৰ মাজত সু-সমন্বয়ৰ প্ৰয়োজনীয়াৰ দিশটোত আলোকপাত কৰে।

উল্লেখযোগ্য যে, 'ছেহত'' অভিযানৰ জৰিয়তে কৃষি, পুষ্টি আৰু স্বাস্থ্য খণ্ডক একত্ৰিত কৰি এখন সুস্থ ভাৰত গঢ়াৰ পৰিকল্পনা কৰা হৈছে। এই অভিযানে বিশেষকৈ পাঁচটা অগ্ৰাধিকাৰপ্ৰাপ্ত ক্ষেত্ৰত বৈজ্ঞানিক উদ্ভাৱনৰ জৰিয়তে পুষ্টিৰ মানদণ্ড উন্নত কৰাৰ লগতে জনস্বাস্থ্য সুৰক্ষিত কৰাৰ দিশত কাম কৰিব।

ooooo

পশ্চিম এছিয়াৰ সাম্প্ৰতিক উত্তেজনাৰ মাজতো দেশত পৰ্যাপ্ত পৰিমাণৰ পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছ মজুত আছে বুলি কেন্দ্ৰীয় চৰকাৰে দেশবাসীক আশ্বস্ত কৰিছে। নতুন দিল্লীত অনুষ্ঠিত এখন আন্তঃমন্ত্ৰণালয় সংবাদমেলত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই এই বিষয়ে উল্লেখ কৰি কয় যে, ঘৰুৱা ব্যৱহাৰৰ বাবে এলপিজি চিলিণ্ডাৰৰ যোগান নিৰৱচ্ছিন্নভাৱে অব্যাহত আছে আৰু যোৱা তিনিটা দিনত ১ কোটি ২৬ লাখতকৈও অধিক চিলিণ্ডাৰ গ্ৰাহকক যোগান ধৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানক দোহাৰি তেওঁ জনসাধাৰণক ব্যক্তিগত বাহনৰ সলনি ৰাজহুৱা পৰিবহণ ব্যৱস্থা ব্যৱহাৰৰ জৰিয়তে ইন্ধন ৰাহি কৰিবলৈ অনুৰোধ জনায়।

আনহাতে, কৃষকসকলক আশ্বস্ত কৰি ৰাসায়নিক আৰু সাৰ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব অপৰ্ণা শৰ্মাই জনায় যে, ২০২৬ বৰ্ষৰ খাৰিফ বতৰৰ বাবে দেশত ৫১ শতাংশতকৈ অধিক সাৰ মজুত ৰখা হৈছে। দেশত সাৰৰ যাতে নাটনি নহয়, তাৰ বাবে অতিৰিক্ত ৯৭ লাখ মেট্ৰিক টন সাৰৰ যোগান ধৰা হৈছে।

ইপিনে, পশ্চিম এছিয়াত কৰ্মৰত ভাৰতীয় নাৱিক আৰু নাগৰিকসকলৰ সুৰক্ষাৰ সন্দৰ্ভতো চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা সদৰী কৰি বন্দৰ আৰু জাহাজ পৰিবহণ মন্ত্ৰালয়ে জনাইছে যে, বৰ্তমানলৈ ৩ হাজাৰৰো অধিক নাৱিকক দেশলৈ নিৰাপদে ওভতাই অনা হৈছে। বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে সংবাদ মাধ্যমক জনোৱা অনুসৰি, ভাৰতীয় জাহাজসমূহৰ সুৰক্ষিত যাতায়াতৰ বাবে ভাৰতে ইৰান চৰকাৰৰ সৈতে নিৰন্তৰ যোগাযোগ ৰাখিছে। ইতিমধ্যে ১১ খন জাহাজ ভাৰতলৈ উভতি আহিছে আৰু তেহৰাণত থকা ভাৰতীয় দূতাবাসে স্থলপথেৰে দুহেজাৰ ৫শৰো অধিক ভাৰতীয়ক ইৰানৰ পৰা নিৰাপদে উলিয়াই অনাৰ ক্ষেত্ৰত সহায় আগবঢ়াইছে।

ooooo

কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি ভিডিঅ' কনফাৰেন্সিংযোগে দ'হৰীঘাট-ঔনৰিহাৰ যাত্ৰীবাহী ৰে'ল সেৱাৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে। এই নতুন ৰে'লসেৱাই উত্তৰ প্ৰদেশৰ মৌ আৰু গাজীপুৰ জিলাৰ যাত্ৰীসকলক সুলভ, সুৰক্ষিত আৰু আৰামদায়ক যাতায়াতৰ সুবিধা প্ৰদান কৰিব। এই ৰে'ল সেৱা অতি শীঘ্ৰে বাৰাণসীলৈ সম্প্ৰসাৰণ কৰা হ'ব বুলি ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে।

ৰে'ল মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে - ১৯০৪ চনতে নিৰ্মিত ইন্দাৰা-দ'হৰীঘাট মিটাৰ গজ্ লাইনটোৰ ব্ৰডগজলৈ ৰূপান্তৰৰ কাম দীৰ্ঘদিন অৱহেলা কৰি অহা হৈছিল । প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বতহে এই গজ পৰিৱৰ্তনৰ কাম সম্পূৰ্ণ হয় আৰু ২০২৩ চনৰ ডিচেম্বৰ মাহত প্ৰধানমন্ত্ৰীয়ে এই নৱ-ৰূপান্তৰিত লাইনত ৰে'ল চলাচলৰ শুভাৰম্ভ কৰিছিল।

উত্তৰ প্ৰদেশৰ ৰে'ল আন্তঃগাঁথনিৰ উন্নয়নৰ খতিয়ান দাঙি ধৰি শ্ৰী বৈষ্ণৱে কয় যে - গংগাৰ দক্ষিণ দিশত প্ৰয়াগৰাজ-কানপুৰ-আগ্ৰা-দিল্লী পথত এটা বৃহৎ চাৰি লেনযুক্ত ক'ৰিডৰ বিকশিত কৰা হৈছে। একেদৰে গংগাৰ উত্তৰ দিশত গাজিয়াবাদ, মোৰাদাবাদ, বৰেইলী, সীতাপুৰ, গোণ্ডা আৰু গোৰখপুৰ হৈ বিহাৰ আৰু উত্তৰ-পূৰ্বাঞ্চলক সংযোগ কৰিবলৈ আন এটা চাৰি লেনযুক্ত ৰেল কৰিড'ৰৰ কাম দ্ৰুতগতিত চলি আছে।

'অমৃত ভাৰত ষ্টেচন' আঁচনিৰ অধীনত উত্তৰ প্ৰদেশৰ ১৫৭টা ষ্টেচনৰ আধুনিকীকৰণ কৰা হৈছে, যাৰ ভিতৰত ২৮টা ষ্টেচনৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ক'ভিডোত্তৰ সময়ত ৰাজ্যখনত ৫৮খন নতুন ৰে'লৰ সেৱা আৰম্ভ কৰাৰ লগতে ৫৬৮খন ৰে'লৰ পথ সম্প্ৰসাৰণ কৰা হৈছে। বৰ্তমান উত্তৰ প্ৰদেশত ৪০খন অমৃত ভাৰত এক্সপ্ৰেছ আৰু ৩২খন বন্দে ভাৰত ৰে'ল সেৱা চলাই থকা হৈছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি হিমাচল প্ৰদেশৰ ধৰমশালাৰ ক্ৰিকেট এছ'চিয়েচন ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে পঞ্জাৱ কিংছক ৩ উইকেটত পৰাস্ত কৰে। ২১১ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি দেলহি কেপিটেলছে ১৯ অভাৰত ৭টা উইকেটৰ বিনিময়ত ২১৬ ৰান কৰি বিজয় সাব্যস্ত কৰে। অধিনায়ক অক্ষৰ পেটেলে সৰ্বাধিক ৫৬ ৰানৰ বৰঙণি আগবঢ়ায়। ডেভিদ মিলাৰে ২৮টা বলত ৫১ কৰে। পঞ্জাৱ কিংছৰ হৈ অৰ্শ্বদীপ সিং আৰু য়ছ ঠাকুৰে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে দেলহি কেপিটেলছে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লোৱাৰ পাছত পঞ্জাৱ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ২১০ ৰান সংগ্ৰহ কৰে। শ্ৰেয়াছ আয়াৰে দলৰ হৈ সৰ্বাধিক ৫৯ আৰু প্ৰিয়াংশ আৰ্যাই ৫৬ ৰান কৰে। দেলহি কেপিটেলছৰ মিছেল ষ্টাৰ্ক আৰু মাধৱ তিৱাৰীয়ে দুটাকৈ উইকেট দখল কৰে। মাধৱ তিৱাৰীক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত